**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 21-09-2025
**Time:** 13-40 Hrs

***Assamese Midday Bulletin***
***Headlines***

**:::::::::::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিয়লি ৫ বজাত দেশবাসীক সম্বোধন কৰি ভাষণ দিব।

২। কাইলৈ প্ৰধানমন্ত্ৰীয়ে অৰুণাচল প্ৰদেশ আৰু ত্ৰিপুৰা ভ্ৰমণ কৰিব।

৩। ৰাজ্যত অভূতপূৰ্ব শোকৰ পৰিবেশ তথা অপূৰণীয় শূন্যতাৰ সৃষ্টি কৰি আঁতৰি যোৱা একাধিক প্ৰজন্মৰ হিয়াৰ আমঠু, বিৰল প্ৰতিভা সম্পন্ন শিল্পী জুবিন গাৰ্গৰ পাৰ্থিৱ শৰীৰ সম্প্ৰতি তেওঁৰ কাহিলীপাৰাৰ বাসগৃহলৈ অনা হৈছে।

৪। সমাগত শাৰদীয় দুৰ্গোৎসৱৰ সৈতে সংগতি ৰাখি আজি দেশৰ বিভিন্ন স্থানত মহালয়া উদযাপন কৰা হৈছে। *আৰু*

৫। এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ কাইলৈ নিশা ৮ বজাত আৰম্ভ হ'বলগীয়া ছুপাৰ ফ'ৰ পৰ্যায়ৰ দ্বিতীয়খন খেলত ভাৰত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিয়লি ৫ বজাত দেশবাসীক সম্বোধন কৰি ভাষণ দিব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ অৰুণাচল প্ৰদেশ আৰু ত্ৰিপুৰা ভ্ৰমণ কৰিব। এই ভ্ৰমণৰ সময়ছোৱাত তেওঁ অৰুণাচল প্ৰদেশত ৫ হাজাৰ ১০০ কোটি টকাতকৈও অধিক পৰিমানৰ পুঁজি বয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্প উদ্বোধন কৰাৰ লগতে ৩ হাজাৰ ৭০০ কোটি টকা ব্যয় সাপেক্ষ দুটা বৃহৎ জলবিদ্যুৎ প্ৰকল্প আধাৰশিলাও স্থাপন কৰিব। এই কাৰ্যসূচীৰ মাজতে প্ৰধানমন্ত্ৰীয়ে আন বিভিন্ন প্ৰকল্পৰ লগতে সীমামুৰীয়া টাৱাঙ জিলাত নিৰ্মাণ কৰিবলগীয়া এটা অত্যাধুনিক সন্মিলন কেন্দ্ৰৰো আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে ইটানগৰত এখন ৰাজহুৱা সভাত ভাষণ দিয়াৰ লগতে ৰাজ্যখনৰ বিভিন্ন শ্ৰেণীৰ লোকৰ সৈতে মত বিনিময় কৰিব।

ত্ৰিপুৰাৰ মাতাবাৰীৰ মাতা ত্ৰিপুৰা সুন্দৰীৰ চৌহদত উন্নয়নমূলক কাম-কাজৰ শুভাৰম্ভ কৰিব।

০০০০

ৰাজ্যত অভূতপূৰ্ব শোকৰ পৰিবেশ তথা অপূৰণীয় শূন্যতাৰ সৃষ্টি কৰি আঁতৰি যোৱা একাধিক প্ৰজন্মৰ হিয়াৰ আমঠু, বিৰল প্ৰতিভা সম্পন্ন শিল্পী জুবিন গাৰ্গৰ পাৰ্থিৱ শৰীৰ সম্প্ৰতি তেওঁৰ কাহিলীপাৰাৰ বাসগৃহলৈ অনা হৈছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে আজি পুৱা প্ৰায় চাৰে ৬ বজাত এয়াৰ ইণ্ডিয়াৰ এখন বিমানেৰে শিল্পীগৰাকীৰ নশ্বৰদেহ গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰলৈ অনাৰ পাছত এখন পুস্পসজ্জিত বাহনেৰে জনসমুদ্ৰৰ মাজেৰে কঢ়িয়াই অনা হয়। চৌদিশে কেৱল হুমুনিয়াহ আৰু চকুলোৰ মাজত শিল্পীগৰাকীক ঘাইপথেৰে কঢ়িয়াই অনা পথত অগণন লোকে অশ্ৰু অঞ্জলি যাচে।

কাহিলিপাৰাৰ বাসগৃহত পৰিয়ালৰ লোকে শ্ৰদ্ধাঞ্জলি নিবেদন কৰাৰ পাছত তেওঁৰ নশ্বৰদেহ সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পলৈ লৈ যোৱা হ'ব। জনসাধাৰণে প্ৰশাসনে নিৰ্ধাৰণ কৰা নীতি-নিৰ্দেশনা মানি প্ৰিয় শিল্পীক অন্তিমবাৰৰ বাবে দৰ্শন কৰিব পাৰিব। সৰুসজাই ষ্টেডিয়ামত আজি কোনো যান-বাহনৰ প্ৰৱেশৰ অনুমতি দিয়া হোৱা নাই। দৰ্শনাৰ্থীসকলে শিল্পীগৰাকীলৈ  শ্ৰদ্ধা জনোৱাৰ পাছত ষ্টেডিয়ামখনৰ ৩ নম্বৰ দুৱাৰেৰে ওলাই যাব পাৰিব। ইপিনে শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপনৰ বাবে যোৱা অগণন অনুৰাগীৰ সুবিধা হোৱাকৈ আজি ৰাষ্ট্ৰীয় ঘাইপথেৰে বাণিজ্যিক বাহনৰ চলাচল বন্ধ ৰখা হৈছে। উল্লেখযোগ্য যে পূৰ্ব নিৰ্ধাৰিত সময় অনুসৰি আজি পুৱা ৯ বজাৰ পৰা সন্ধিয়া ৭ বজালৈ সৰুসজাই  ক্ৰীড়া প্ৰকল্পত নশ্বৰ দেহত সৰ্বসাধাৰণৰ শ্ৰদ্ধাঞ্জলি নিবেদনৰ ব্যৱস্থা কৰা হৈছিল যদিও ব্যাপক জনসমাগমৰ পৰিপ্ৰেক্ষিতত বিলম্ব ঘটাত এই সময়ৰ সাল সলনি ঘটাটো নিশ্চিত হৈ পৰিছে।

অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ সন্মানাৰ্থে কালিৰে পৰা তিনিদিনীয়া ৰাজ্যিক শোক ঘোষণা কৰা হৈছে। এই সময়ছোৱাত সকলো চৰকাৰী মনোৰঞ্জনমূলক অনুষ্ঠান, আনুষ্ঠানিক কাৰ্যসূচী আৰু ৰাজহুৱা উৎসৱ স্থগিত ৰখা হৈছে।

জুবিন গাৰ্গৰ পিতৃৰ অসুস্থতাৰ হেতুকে পৰিয়ালৰ লোকে শিল্পীগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়াৰ স্থান গুৱাহাটীৰ আশে-পাশে বিচাৰিছে বুলি প্ৰকাশ কৰা হৈছে।

সমগ্ৰ মহানগৰী শিল্পীগৰাকীক শ্ৰদ্ধা জনোৱাৰ বাবে লোকাৰণ্য হৈ পৰাৰ পৰিপ্ৰেক্ষিতত প্ৰশাসনে সকলোকে সংযম বজাই ৰাখি চলিবলৈ আহ্বান জনাইছে। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে জুবিন গাৰ্গৰ অন্তিম যাত্ৰা শান্তিপূৰ্ণ কৰি তুলিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়।

ৰাজ্য চৰকাৰে আজি সন্ধিয়া শিল্পীগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়া সন্দৰ্ভত এখন কেবিনেট বৈঠক আহ্বান কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়, যে জুবিন গাৰ্গৰ মৃত্যুৰ বিষয়টোৰ বিশদ অনুসন্ধানৰ বাবে তেওঁ ছিংগাপুৰৰ উচ্চায়ুক্ত চাইমন ৱঙৰ সৈতে কথা পাতিছে। উচ্চায়ুক্তগৰাকীয়ে এইক্ষেত্ৰত সম্পূৰ্ণ সহযোগিতাৰ আশ্বাস দিছে বুলি তেওঁ প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে কয়, যে ৰাজ্য চৰকাৰে জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ দায়িত্ব চি আই ডিক অৰ্পণ কৰিছে। এই ঘটনা সন্দৰ্ভত কেইবাখনো থানাত ৰুজু হোৱা গোচৰ তদন্তৰ বাবে চি আই ডিক অৰ্পণ কৰা হয়। মুখ্যমন্ত্ৰীয়ে নৰ্থ ইষ্ট ফেষ্টিভেলৰ আয়োজক শ্যামকানু মহন্ত আৰু জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাও তদন্তৰ আওতালৈ আহিব বুলি মন্তব্য কৰে।

জুবিন গাৰ্গৰ সৈতে সাগৰলৈ সাঁতুৰিবলৈ যোৱা অসম এছ'চিয়েছনৰ ১১ জন সদস্য আৰু জুবিনৰ দলৰ ৪ জন সদস্যক অসম আৰক্ষীয়ে সোধা-পোছা কৰিব পাৰে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। জুবিন গাৰ্গৰ অকাল বিয়োগৰ পৰিপ্ৰেক্ষিতত অসম লোকসেৱা আয়োগে আজি আৰু কাইলৈ হ'বলগীয়া পৰীক্ষা স্থগিত ৰাখিছে। আয়োগে প্ৰকাশ কৰা মতে, আজি হ'বলগীয়া মীন বিভাগৰ অধীনৰ কনিষ্ঠ অভিযন্তা পদৰ পৰীক্ষা স্থগিত ৰখা হৈছে। একেদৰে, কাইলৈ হ'বলগীয়া কৃষি বিভাগৰ অধীনৰ কৃষি উন্নয়ন বিষয়া পদৰ সাক্ষাৎকাৰ প্ৰক্ৰিয়া ২৫ আৰু ২৬ ছেপ্তেম্বৰলৈ পিছুৱাই দিয়া হৈছে। কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা শিল্পীগৰাকীৰ বিয়োগত ৰাজ্যিক শোক ঘোষণা কৰালৈ চাই সেৱা সপ্তাহ উপলক্ষে গ্ৰন্থবৰ্ষ, ২০২৫-ৰ সৈতে সংগতি ৰাখি প্ৰদান কৰিবলগীয়া যুৱ লেখক সন্মানৰ কাৰ্যসূচী স্থগিত ৰখা হৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে পৰৱৰ্তী সময়ত এই অনুষ্ঠানৰ সময় নিৰ্ধাৰণ কৰা হ'ব বুলি প্ৰকাশ কৰিছে। তেওঁ লগতে আজি হ'বলগীয়া বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিক মূল্যায়ন পৰীক্ষা এফ এল এন এ টি স্থগিত ৰখাৰ কথা ঘোষণা কৰিছে। ৪ লাখ ৭০ হাজাৰ প্ৰাপ্তবয়স্ক শিক্ষাৰ্থীয়ে অংশ ল'বলগীয়া এই মূল্যায়ন পৰীক্ষা অহা ১২ অক্টোবৰত অনুষ্ঠিত হ'ব বুলি

শিক্ষামন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। সেৱা সপ্তাহৰ অধীনত প্ৰয়োজনীয় সেৱাৰ কাৰ্যসূচী চলি থাকিব যদিও আনুষ্ঠানিক তথা অন্যান্য লাভ বিতৰণৰ অনুষ্ঠানসমূহ স্থগিত ৰখা হ'ব।

০০০০

দেশৰ বিভিন্ন প্ৰান্তত আজি মহালয়া পালন কৰা হৈছে। এই দিনটোৰ পৰাই দুৰ্গা পূজা আৰম্ভ হয়। মহালয়াৰ দিনা দেৱী দুৰ্গাই মহিষাসুৰক পৰাস্ত কৰিছিল বুলি ধৰা হয়। আজিৰ দিনটোত বঙালী সম্প্ৰদায়ৰ লোকসকলে পুৱা চণ্ডীপাঠ কৰে। মহালয়া উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত শ্ৰীমোদীয়ে কয় যে দুৰ্গা পূজাৰ দিন ওচৰ চাপি অহাৰ লগে লগে মানুহৰ জীৱন পোহৰেৰে ভৰি পৰে । দেৱী দুৰ্গাৰ আশীৰ্বাদে সকলোৰে বাবে শক্তি, আনন্দ আৰু সুস্বাস্থ্য কঢ়িয়াই আনিব বুলি প্ৰধানমন্ত্ৰয়ে আশা প্ৰকাশ কৰে ।

গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰতিখন ঘৰতে দেৱী দুৰ্গাই আনন্দ, শক্তি, সমৃদ্ধি আৰু সুস্বাস্থ্য প্ৰদান কৰি বুলি আশা প্ৰকাশ কৰিছে ।

০০০০

বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰে আজি কেইবাটাও গুৰুত্বপূৰ্ণ ঘোষণা কৰে। অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিলৈ বিভিন্ন আঁচনিৰ সুবিধা প্ৰদানৰ ভূমিকা পালন কৰা "বিকাশ মিত্ৰ"ক টেবলেট ক্ৰয় কৰিবলৈ চৰকাৰী পুঁজিৰ পৰা ২৫ হাজাৰ টকাৰ এককালীন অনুদান প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰী নীতিশ কুমাৰে আজি সামাজিক মাধ্যমত ঘোষণা কৰে। তেওঁ কয় যে বিকাশ মিত্ৰসকলৰ মাহিলী পৰিবহণ ভাট্টা ১৯০০ টকাৰ পৰা ২৫০০ টকালৈ বৃদ্ধি কৰা হ'ব, আৰু তেওঁলোকৰ ষ্টেচনাৰী ভাট্টা ৯০০ টকাৰ পৰা ১৫০০ টকালৈ বৃদ্ধি কৰা হ'ব।

দলিত, সংখ্যালঘু আৰু অতি পিছপৰা সম্প্ৰদায়ৰ শিশুসকলৰ শিক্ষাৰ সুবিধা নিশ্চিত কৰাৰ লগতে অক্ষৰ আঞ্চলিক যোজনাৰ অধীনত মহিলাসকলৰ সাক্ষৰতা বৃদ্ধিৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা শিক্ষা সেৱকসকলক ডিজিটেল কাম-কাজ চলোৱাৰ বাবে স্মাৰ্টফোন ক্ৰয় কৰিবলৈ ১০ হাজাৰ টকাকৈ অনুদান প্ৰদান কৰা হ'ব।

০০০০

চৰকাৰী কাৰ্যসূচীলৈ মৰক্কো অভিমুখে ৰাওনা হ'বলগীয়া প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি দেশখনৰ প্ৰতিৰক্ষা মন্ত্ৰী আব্দেলতিফ লৌদিয়িৰ সৈতে এখন দ্বিপাক্ষিক বৈঠকত অংশগ্ৰহণ কৰিব। দক্ষিণ আফ্ৰিকাৰ দেশখনলৈ ভাৰতৰ প্ৰথমগৰাকী প্ৰতিৰক্ষা মন্ত্ৰীৰ ভ্ৰমণ হিচাপে বিবেচিত শ্ৰীসিঙৰ এই ভ্ৰমণসূচীয়ে দুয়োখন দেশৰ মাজৰ পাৰস্পৰিক সহযোগিতা বৃদ্ধিৰ সূচনা কৰা বুলি প্ৰকাশ পাইছে। এটা সামাজিক বাৰ্তাত প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয় যে শ্ৰীলৌদিয়িৰ সৈতে তেওঁৰ আলোচনাই উভয় দেশৰ মাজৰ প্ৰতিৰক্ষা, কৌশলগত আৰু ঔদ্যোগিক দিশৰ পাৰস্পৰিক সহযোগিতা বৃদ্ধি কৰিব।

এই ভ্ৰমণকালত শ্ৰীসিঙে, প্ৰতিৰক্ষা সজুলি নিৰ্মাণৰ বাবে মৰক্কোৰ বেৰেচিদত স্থাপন কৰা টাটা এডভান্সড ছিষ্টেম মেৰকৰ এটা নতুন নিৰ্মাণ প্ৰকল্পৰ উদ্বোধনী অনুষ্ঠানতো অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে আত্মনিৰ্ভৰ ভাৰত প্ৰক্ৰিয়াৰ অধীনত ভাৰতৰ প্ৰতিৰক্ষা উদ্যোগৰ  জৰিয়তে স্থাপন কৰা এইটোৱেই হ'ল আফ্ৰিকাত ভাৰতৰ প্ৰথমটো প্ৰতিৰক্ষা সজুলি উৎপাদন প্ৰকল্প। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীৰ ভ্ৰমণৰ এই সময়ছোৱাতে দুয়োখন দেশৰ মাজত প্ৰতিৰক্ষা খণ্ডৰ এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হ'ব বুলি আশা কৰা হৈছে।

০০০০

এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ কাইলৈ হ্বলগীয়া ছুপাৰ ফ'ৰ পৰ্যায়ৰ দ্বিতীয়খন খেলত ভাৰত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

কালি নিশা ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ ছুপাৰ ফ'ৰ পৰ্যায়ৰ প্ৰথমখন খেলত বাংলাদেশে শ্ৰীলংকাক ৪ উইকেটত পৰাস্ত কৰে। জয়ৰ বাবে ১৬৯ ৰাণৰ লক্ষ্য অনুসৰণ কৰি বাংলাদেশে এটা বল বাকী থকা অৱস্থাত ৬টা উইকেটৰ বিনিময়ত নিৰ্ধাৰিত লক্ষ্যত উপনীত হৈ খেলখনত বিজয় সাব্যস্ত কৰে। শ্ৰীলংকাৰ হৈ ডাচুন চনাকাই সৰ্বাধিক ৬৪ ৰান কৰে। বাংলাদেশৰ মস্তাফিজুৰ ৰহমানে ৩টা উইকেট দখল কৰে।

ইয়াৰ পূৰ্বে টছত জিকি বাংলাদেশে প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। প্ৰথমে বেটিং কৰি শ্ৰীলংকাই ৭টা উইকেটৰ বিনিময়ত ১৬৮ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ছাইফ হাচনৰ ৬১ আৰু তৌহিদ হৃদয়ৰ ৫৮ ৰানৰ সহায়ত বাংলাদেশে ৬টা উইকেটৰ বিনিময়ত বিজয় লক্ষ্যত উপনীত হয়। শ্ৰীলংকাৰ হৈ ৱান্দিদু হাচাৰাংগা আৰু ডাচুন চনাকাই দুটাকৈ উইকেট দখল কৰে। ছাইফ হাছানক প্লেয়াৰ অব দ্যা মেচ ঘোষণা কৰা হয়।

০০০০

সমাপ্ত